
# প্ৰয়াস



বৰপেটা ছোৱালী মহাবিদ্যালয়

বৰপেটা, অসম

২০১০ চন

# মহিলা সবলীকৰণ আৰু ভাৰতীয় ৰাজনীতি

... ✍ ঃ বন্দিতা বৰবৰা,
প্ৰৱক্তা,
ৰাজনীতি বিজ্ঞান বিভাগ।

সবলীকৰণ হৈছে এক বহুমুখী প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াই ব্যক্তিক তেওঁলোকৰ নিজ পৰিচয়ৰ লগতে সক্ষমতাৰ বিষয়ে সজাগ কৰি তোলে। সবলীকৰণ প্ৰক্ৰিয়াই ব্যক্তিক আত্ম বিশ্বাস বৃদ্ধি কৰা, অধিকাৰৰ প্ৰতি সচেতন কৰা আৰু পুৰণি অপ্ৰাসংগিক ৰীতি নীতি আৰু ধ্যান ধাৰণাৰ পৰা মুক্ত হোৱাত সহায় কৰে। অৰ্থাৎ সবলীকৰণ প্ৰক্ৰিয়া বুলিলে সাধাৰণতে এনে এটা প্ৰক্ৰিয়াৰ বিষয়ে কোৱা হয় যাৰ জৰিয়তে পুৰুষ মহিলা উভয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জড়িত হোৱাৰ সুবিধা লাভৰ যোগেদি নিজক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাৰ সুবিধা লাভ কৰে। সবলীকৰণৰ ধাৰণাটো মহিলাৰ ক্ষেত্ৰত বিচাৰ কৰি চালে দেখা যায় যে মহিলা সবলীকৰণৰ মূল লক্ষ্য হৈছে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ নিজ অংশগ্ৰহণৰ জৰিয়তে তেওঁলোকৰ মাজত সচেতনতা জগাই তোলা। এনে ধৰণৰ সবলীকৰণ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, নাইবা যিকোনো ক্ষেত্ৰতে গঢ় লৈ উঠিব পাৰে। সাধাৰণ অৰ্থত মহিলা সবলীকৰণ বুলিলে মহিলাসকলক প্ৰয়োজনীয় অধিকাৰ, স্বাধীনতা আৰু দায়িত্ব লাভৰ সুবিধা দিয়া। মহিলাসকল আত্মনিৰ্ভৰশীল হ'লেহে তেওঁলোকে সিদ্ধান্ত গ্ৰহণ, আঁচনি প্ৰস্তুতকৰণ, কাৰ্য্যকৰীকৰণ আৰু মূল্যায়নৰ লগত জড়িত হোৱাৰ সুবিধা লাভ কৰে। যিহেতু, সমাজৰ আধা সংখ্যক লোক হৈছে মহিলা, সেয়েহে মহিলা সকলেও পুৰুষৰ সমানে নিজক শক্তিশালী ৰূপত আত্ম প্ৰকাশৰ সুবিধা লাভ কৰিব পাৰিলেহে ৰাষ্ট্ৰৰ কৃতকাৰ্য্যতা লাভ সম্ভৱ হৈ উঠে।

বৰ্ত্তমান সময়ত ভাৰতবৰ্ষৰ দৰে পুৰুষ প্ৰধান সমাজতো মহিলা সবলীকৰণ বিষয়টোৰ ওপৰত পুৰুষ মহিলা উভয়ে যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। অতি প্ৰাচীন কালত ভাৰতবৰ্ষত মহিলাসকলে যদিও পুৰুষৰ সমান স্থান লাভ কৰিবলৈ সক্ষম হৈছিল, কিন্তু আনুমানিক খ্ৰীঃ পূঃ ৫০০ বছৰৰ পৰা তেওঁলোকৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ আহিছিল আৰু মহিলাসকল বহুক্ষেত্ৰত নায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছিল।

ভক্তি আন্দোলনৰ সময়ত মহিলা সকলক পুৰুষৰ সমান বুলি গন্য কৰা হৈছিল যদিও সেই সময়ত প্ৰচলিত সতীদাহ প্ৰথা, পৰ্দাপ্ৰথা, দেৱদাসী আদি কুপ্ৰথা সমূহৰ ফলত মহিলা সকলৰ মাজত সচেতনাৰ অভাৱ পৰিলক্ষিত হৈছিল। অৱশ্যে বৃটিছ সকল ভাৰতলৈ অহাৰ পাছত বিভিন্ন ধৰণৰ আইন প্ৰণয়ন কৰি এই কুপ্ৰথাসমূহ নাইকিয়া কৰিবলৈ চেষ্টা চলোৱা হৈছিল আৰু সংস্কাৰ আন্দোলন সমূহৰ যোগেদি মহিলাৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। তাৰোপৰি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনেও মহিলা সকলক তেওঁলোকৰ অধিকাৰ সম্পৰ্কে কিছু পৰিমাণে সচেতন কৰি তুলিছিল। স্বাধীন ভাৰতবৰ্ষতো মহিলাসকলক সবলীকৰণ কৰাৰ উদ্দেশ্য বিভিন্ন আইন প্ৰণয়ন আৰু সংবিধান সংশোধনীৰ জৰিয়তে চেষ্টা কৰা হয় যদিও, বৰ্ত্তমানৰ ৰাজনৈতিক ব্যৱস্থাত ইয়াক পৰ্য্যালোচনা কৰি চালে এইক্ষেত্ৰত সম্পূৰ্ণভাৱে সফল হৈছে বুলি আমি ক'ব নোৱাৰো। স্বাধীন ভাৰতবৰ্ষৰ সংবিধানত মহিলাসকলক পুৰুষৰ সমান বুলি গণ্য কৰা হৈছে আৰু কোৱা হৈছে যে লিংগ বৈষম্যৰ ভিত্তিত মহিলাসকলক কোনো ধৰণৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। সংবিধানৰ ৭৩ তম সংশোধনী অনুসৰি পঞ্চায়তত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। তৎসত্বেও বৰ্ত্তমানেও মহিলাৰ অধিকাৰ ভংগ বিষয়ক বাতৰিয়ে সংবাদ মাধ্যমৰ শীৰ্ষস্থান দখল কৰিয়েই আছে। বৰ্ত্তমান ভাৰতবৰ্ষৰ ৪৮.৩% লোক মহিলা হোৱা সত্বেও ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ অংশগ্ৰহণৰ হাৰ নিচেই তাকৰ। ৰাষ্ট্ৰসংঘৰ মানৱ সম্পদ উন্নয়ন প্ৰতিবেদন, ২০০৮ ত প্ৰকাশিত তথ্য অনুসৰি উন্নয়নশীল দেশসমূহৰ গ্ৰাম্য অঞ্চলত মহিলাসকলে পুৰুষসকলতকৈ অতিৰিক্ত ২০% নাইবা এদিনত ৯৮ মিনিট অতিৰিক্ত পৰিশ্ৰম কৰে কিন্তু মহিলাসকলৰ আয়ৰ পৰিমাণ হৈছে সৰ্বমুঠ আয়ৰ মাত্ৰ ১০%।

ভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত দেখা যায় যে পঞ্চায়তত মহিলাৰ ৩৩% আসন সংৰক্ষণ ব্যৱস্থাতেই মহিলাৰ সবলীকৰণ কৰিছে বুলি ক'ব নোৱাৰি। এইটো ঠিক যে আসন সংৰক্ষণৰ ফলত অতি কমকৈ হ'লেও যিসকল মহিলাই শাসন ব্যৱস্থাৰ লগত জড়িত হোৱাৰ সুবিধা লাভ কৰিছে তেওঁলোকে সমাজৰ বাকী লোকসকলৰ ওপৰত প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। মহিলাৰ ৰাজনৈতিক সবলীকৰণ হৈছে অৰ্থনৈতিক আৰু সামাজিক সবলীকৰণৰ এক পন্থা। যি কি নহওঁক, শাসন ব্যৱস্থাৰ উচ্চ পৰ্য্যায়লৈ চালে দেখা যায় যে বৰ্ত্তমানলৈকে ভাৰতীয় ৰাজনীতিত প্ৰায় ৩% মহিলা শাসন ব্যৱস্থাৰ লগত আৰু ৮% মহিলা জন প্ৰতিনিধি হিচাপে জড়িত হোৱাৰ সুবিধা লাভ কৰিছে। ৰাজনীতিত মহিলাৰ সীমিত অংশগ্ৰহণ আৰু সীমিত প্ৰতিনিধিত্বৰ ফলত সমাজৰ সেই

অংশৰ আশা আকাংক্ষা সমূহ ৰাষ্ট্ৰৰ দ্বাৰা ভালদৰে সুৰক্ষিত হয় বুলি ক'ব নোৱাৰি। ইয়াৰ উপৰিও দেখা যায় মন্ত্ৰীসভালৈ এতিয়ালৈকে যিসকল মহিলা প্ৰতিনিধি নিৰ্বাচিত হোৱাৰ সুযোগ পাইছে, তেওঁলোকক কম গুৰুত্বপূৰ্ণ বিষয় যেনে মাতৃ আৰু শিশু সম্বন্ধীয়, তথ্য, সাংস্কৃতিক, সামাজিক কল্যাণ আদি পদৱীসমূহ প্ৰদান কৰা হয়। আনকি, ৰাজনৈতিক দলসমূহৰ নেতৃত্বৰ ক্ষেত্ৰতো মহিলাসকলক খুব কমেহে দেখা যায়। World Economic Forum ৰ জৰিয়তে বিশ্বৰ দেশসমূহত চলোৱা এক সমীক্ষা অনুসৰি, সংসদতেই হওঁক নাইবা স্বাধীন পৰ্য্যায়তেই হওঁক মহিলা সবলীকৰণৰ দিশত ভাৰতবৰ্ষৰ স্থান ২৪ তম।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে এইবছৰৰ আগষ্ট মাহৰ ২৭ তাৰিখে কেন্দ্ৰ চৰকাৰে পঞ্চায়তত মহিলাৰ আসন সংৰক্ষণৰ সংখ্যা ৩৩% ৰ পৰা ৫০% লৈ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি মহিলা সবলীকৰণৰ দিশত এক নতুন দিশ উন্মোচন কৰিছে। এই প্ৰস্তাৱ কাৰ্য্যকৰী হ'লে পঞ্চায়তৰ মুঠ ২৮ লাখ নিৰ্বাচিত সদস্যৰ ভিতৰত মহিলাৰ সংখ্যা ১২ লাখৰ পৰা ১৮ লাখলৈ বৃদ্ধি পাব। ইতিমধ্যে কিছুমান ৰাজ্য যেনে- বিহাৰ, চণ্ডীগড়, মধ্যপ্ৰদেশ, ৰাজস্থান, আৰু হিমাচল প্ৰদেশ আদিয়ে (পঞ্চায়ত) আইনৰ সংশোধন কৰি মহিলাৰ আসনৰ সংখ্যা ৫০% লৈ বৃদ্ধি কৰিছে। অৱশ্যে কিছুমান ৰজ্য যেনে অন্ধ্ৰপ্ৰদেশ, হাৰিয়ানা, মধ্যপ্ৰদেশ, ৰাজস্থান,উৰিষ্যা, মহাৰাষ্ট্ৰ, চণ্ডীগড় আদি ৰাজ্যত কেৱল দুটি সন্তানৰ মাতৃকহে (পঞ্চায়ত) প্ৰতিদ্বন্দিতা কৰাৰ সুবিধা দিয়া হ'ব বুলি যি চিন্তা চৰ্চা চলিছে , এই ব্যৱস্থাৰ প্ৰৱৰ্ত্তন হ'লে ই (পঞ্চায়ত) মূল লক্ষ্যৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিব বুলি অনুমান কৰিব পাৰি। উচ্চতম ন্যায়ালয়ৰ এক ঘোষণা অনুসৰি, এনে আইন কাৰ্য্যকৰী হ'লে ৰাজস্থানত ৪০০ ৰো অধিক নিৰ্বাচিত মহিলা (পঞ্চায়ত)ৰ বাবে অযোগ্য হিচাপে বিবেচিত হ'ব। এনেধৰণৰ বিতৰ্কৰ বিষয়সমূহ (পঞ্চায়ত) আইনৰ নতুন সংশোধনী ব্যৱস্থাত আঁতৰ হ'ব বুলি আশা কৰিব পাৰি।

বৰ্ত্তমান ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰত মহিলা সবলীকৰণৰ দিশত আন এক বিতৰ্কমূলক বিষয় হৈছে সংসদ আৰু ৰাজ্যৰ বিধানসমূহত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ সৃষ্টি। যি সময়ত পাকিস্তান আৰু আফগানিস্তানৰ দৰে ৰক্ষনশীল দেশৰ সংসদত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আছে, সেই ফালৰ পৰা ভাৰতবৰ্ষত ইয়াক কাৰ্য্যকৰী নকৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। যদিও ভাৰতবৰ্ষত ১৯৯৬ চনতে বাছনি কমিটিয়ে এই বিলখন আগবঢ়াইছিল, কিন্তু কিছুমান ৰাজনৈতিক দল যেনে- ৰাষ্ট্ৰীয় জনতা দল, জনতা দল (ইউনাইটেড) সমাজবাদী দল আদিৰ বিৰোধিতাৰ ফলত

বৰ্ত্তমানেও আইনখনে সংসদত অনুমোদন লাভ কৰিবলৈ সক্ষম হৈ উঠা নাই। সংসদত মহিলাৰ আসন সংৰক্ষণৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহ এতিয়াও ঐক্যমতত উপনীত হোৱা নাই। কিছুমান দলৰ মতে আসনৰ সংখ্যা ১৫% নাইবা ২০% হোৱা উচিত আৰু কিছুমান দলৰ মতে কেৱল পিছপৰা শ্ৰেণী, সংখ্যালঘু মহিলাৰ বাবেই এই সংৰক্ষণ থকা উচিত। যি কি নহওঁক, ৰাজ্যসভাত এই বিলখনৰ উত্থাপনক এই দিশত এক সফলতা বুলি গণ্য কৰিব পাৰি।

ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰত মহিলাৰ অংশ গ্ৰহণৰ বিষয়টো বিচাৰ কৰি চালে দেখা যায় যে আসন সংৰক্ষণেই মহিলাৰ সবলীকৰণৰ একমাত্ৰ পন্থা হ'ব নোৱাৰে। এই ক্ষেত্ৰত মহিলা সকল নিজে নিজৰ অধিকাৰ আৰু প্ৰাপ্যৰ প্ৰতি সচেতন হ'ব লাগিব। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আজি ৬২ বছৰৰ পাছতো দেশৰ শাসনব্যৱস্থাত সীমিত সংখ্যক মহিলাৰ অংশগ্ৰহণৰ পৰা আমি ক'ব পাৰো যে বৰ্ত্তমানেও ভাৰতীয় শাসনব্যৱস্থা পুৰুষ সকলৰ জৰিয়তেই পৰিচালিত হৈ আহিছে। ইয়াৰ প্ৰধান কাৰণ হৈছে দেশৰ আৰ্থ-সামাজিক অৱস্থা, নিৰক্ষৰতা, দৰিদ্ৰতা, সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-প্ৰথা, ঠেক মনোবৃত্তি ইত্যাদি। এতিয়াও ভাৰতবৰ্ষৰ প্ৰায়সংখ্যক লোকৰে ৰাজনীতিত মহিলাৰ অংশগ্ৰহণৰ বিষয়টোক স্বীকাৰ কৰাৰ মানসিকতা গঢ় লৈ উঠা নাই। সেয়েহে মহিলা সবলীকৰণ হ'বলৈ হ'লে সমাজৰ মানুহখিনিৰ মানসিক পৰিবৰ্ত্তন ঘটোৱাতো নিতান্তই প্ৰয়োজনীয় তাৰোপৰি প্ৰতিগৰাকী মহিলা শিক্ষিত হ'ব লাগিব যাতে নিজৰ অধিকাৰ আৰু কৰ্ত্তব্যৰ প্ৰতি সচেতন হয়।

ভাৰতবৰ্ষত যেতিয়ালৈকে মহিলাসকলে পুৰুষৰ সমান সুবিধা আৰু অধিকাৰ উপভোগ কৰিব নোৱাৰিব, তেতিয়ালৈকে ভাৰতবৰ্ষত সাম্যৰ ভিত্তিত গণতন্ত্ৰ প্ৰতিষ্ঠা হৈছে বুলি কোনেও দাবী কৰিব নোৱাৰিব। সেয়েহে ৰাষ্ট্ৰই বিভিন্ন ব্যৱস্থা গ্ৰহণৰ জৰিয়তে মহিলাৰ সবলীকৰণৰ বিষয়ত গুৰুত্ব দিয়া প্ৰয়োজন। মহিলা সকল সবলীকৃত হ'লেহে ভাৰতীয় গণতন্ত্ৰই উন্নতিৰ পথত আগবাঢ়িবলৈ সক্ষম হ'ব। ●